বিষয়টো ব্যাখ্যা কৰিছে। তেখেতৰ মতে দুখন দেশৰ মাজত আন্তৰ্জাতিক বাণিজ্যিক সম্পৰ্ক স্থাপন কৰিবলৈ হলে দ্ৰব্য দুটাৰ আপেক্ষিক ব্যয় দেশ দুখনৰ মাজত পৃথক হ'ব লাগিব। এনে হ'বলৈ হ'লে দুটা চৰ্তৰ প্ৰয়োজন। সেইয়া হ'ল-

১) দেশ দুখনত উৎপাদনৰ উপাদানৰ যোগানৰ প্ৰাচুৰ্য্যতা পৃথক পৃথক হ'ব লাগিব।

২) দেশ দুখনে বিভিন্ন সামগ্ৰী উৎপাদন কৰোতে ব্যৱহাৰ কৰা উপাদানৰ অনুপাতৰ পাৰ্থক্য থাকিব লাগিব।

ইয়াৰ বাহিৰেও আন্তৰ্জাতিক বাণিজ্য কিয় সম্ভৱ হয় তাৰ কাৰণ ব্যাখ্যা কৰি তেখেতসকলে মত পোষণ কৰিছিল যে দুখন দেশৰ মাজত উৎপাদনৰ উপাদান সমূহৰ যোগানৰ প্ৰাচুৰ্য্যতা পৃথক পৃথক হোৱা আৰু আন্তৰ্জাতিক পৰ্য্যায়ত উপাদানৰ গতিহীনতা এই দুটাই আন্তৰ্জাতিক বাণিজ্য গঢ়ি উঠাৰ মূল কাৰণ।

**পাৰস্পৰিক চাহিদা আৰু সুবিধা ৰেখাৰ বিশ্লেষণ (Reciprocal Demand and Offer Curve Analysis) ঃ** আন্তৰ্জাতিক বাণিজ্য তত্ত্বৰ ব্যাখ্যাত ৰিকাৰ্ডোৰ ব্যয়ৰ তুলনামূলক সুবিধা তত্ত্বই এক উল্লেখযোগ্য ভূমিকা পালন কৰিলেও এই তত্ব বহুতো দিশৰ পৰা সমালোচনাৰ সন্মুখীন হৈছিল। সেই সময়ত এই তত্বই মাথোন যোগানৰ দিশটোক গুৰুত্ব প্ৰদান কৰাৰ বিপৰীতে চাহিদাৰ দিশটোক সম্পৰ্ণ আওকান কৰা বুলিও সমালোচনাৰ সন্মুখীন হৈছিল। ৰিকাৰ্ডোৰ এজন অতি অনুগামী অৰ্থনীতিবিদ জে.এছ. মিলে ডেভিদ ৰিকাৰ্ডোৰ তুলনামূলক ব্যয় তত্বৰ এই অসুবিধা দূৰ কৰিবলৈ চেষ্টা কৰিছিল। অৰ্থনীতিবিদ মিলৰ মতে, যেতিয়া দুখন দেশে আনবিধ সামগ্ৰী উৎপাদনত ব্যয়ৰ তুলনামূলক সুবিধা লাভ কৰে তেতিয়া দুয়োখন দেশৰ মাজত আন্তৰ্জাতিক বাণিজ্যিক সম্পৰ্ক লাভজনকভাৱে কৰিব পৰা যায়। এই ক্ষেত্ৰত দেশ দুখনৰ মাজত দ্ৰব্যৰ আমদানি-ৰপ্তানিৰ প্ৰকৃত পৰিমাণ নিৰ্ভৰ কৰে পাৰস্পৰিক চাহিদাৰ স্থিতিস্থাপকতাৰ ওপৰত। মিলৰ মতে, পাৰস্পৰিক চাহিদাৰ স্থিতিস্থাপকতা দুখন দেশৰ মাজত হোৱা আন্তৰ্জাতিক বাণিজ্যত কোনো এখন দেশৰ আমদানিৰ পৰিমাণ পৰিৱৰ্তনৰ শতকৰা হাৰৰ লগত দেশখনৰ ৰপ্তানিকৃত দ্ৰব্যৰ দৰৰ শতকৰা পৰিৱৰ্তন আৰু

আমদানিকৃত দ্ৰব্যৰ দামৰ শতকৰা পৰিৱৰ্তনৰ অনুপাতটোৰ মাজৰ অনুপাত। কথাষাৰ তলৰ সূত্ৰৰে প্ৰকাশ কৰিব পাৰি -

$$\text{পাৰস্পৰিক চাহিদাৰ স্থিতিস্থাপকতা} = \frac{\text{আমদানিৰ পৰিমাণ পৰিৱৰ্তনৰ শতকৰা হাৰ}}{\dfrac{\text{ৰপ্তানিকৃত দ্ৰব্যৰ দামৰ পৰিৱৰ্তনৰ শতকৰা হাৰ}}{\text{আমদানিকৃত দ্ৰব্যৰ দামৰ পৰিৱৰ্তনৰ শতকৰা হাৰ}}}$$

$$erd = \frac{(\% \quad M)}{\dfrac{\% \quad Px}{\% \quad Pm}}$$

য'ত erd = পাৰস্পৰিক চাহিদাৰ স্থিতিস্থাপকতা

$\triangleleft M$ = আমদানিৰ পৰিমাণ পৰিৱৰ্তনৰ শতকৰা হাৰ

$\triangleleft Px$ = ৰপ্তানিৰ দাম পৰিৱৰ্তনৰ শতকৰা হাৰ

$\triangleleft Pm$ = আমদানিকৃত সামগ্ৰীৰ দাম পৰিৱৰ্তনৰ শতকৰা হাৰ

উল্লেখযোগ্য যে erd ৰ মান কেতিয়াবা 1 (এক) হ'ব পাৰে। এনে অৱস্থাত আন্তৰ্জাতিক বাণিজ্যিক সম্পৰ্ক স্থাপন কৰি দেশ দুখন সমতা অৱস্থাত উপনীত হ'ব পাৰিব। যদি erd বা পাৰস্পৰিক চাহিদাৰ স্থিতিস্থাপকতাৰ মান 1 (এক) তকৈ সৰু হয় তেনেহ'লে দেশখনৰ আন্তৰ্জাতিক বাণিজ্যৰ ফলাফল দেশখনৰ প্ৰতিকূলে গতি কৰিব। ঠিক একেদৰে erd ৰ মান একতকৈ বেছি হ'লে বুজিব লাগিব যে দেশখনৰ আন্তৰ্জাতিক বাণিজ্যিক সম্পৰ্কৰ ফলাফল দেশখনৰ অনুকূলে গতি কৰিছে।

অৰ্থনীতিবিদ জে. এচ. মিলৰ পাৰস্পৰিক চাহিদা আৰু সুবিধা ৰেখাৰ বিশ্লেষণটো কেইটামান অভিধাৰণাৰ ওপৰত প্ৰতিষ্ঠিত। সেইয়া হ'ল—

(ক) দেশ দুখন ক্ৰমে 'A' আৰু 'B'।

(খ) সামগ্ৰী দুবিধ ক্ৰমে 'X' আৰু 'Y'।

(গ) উৎপাদন কাৰ্যত দুয়োখন দেশতে সমাহাৰ উৎপাদন বিধি প্ৰয়োজ্য হয়।

(ঘ) বজাৰত পূৰ্ণ প্ৰতিযোগিতা বিৰাজমান।

(ঙ) দুয়োখন অৰ্থনীতিত পূৰ্ণ নিযুক্তিস্তৰ বিৰাজমান।

(চ) উপাদানৰ বজাৰ আৰু উৎপাদনৰ বজাৰত মুক্ত বাণিজ্য নীতি চলি থাকে।

(ছ) দুয়োখন দেশেই বাণিজ্যত তুনামূলক ব্যয়ৰ সুবিধা তত্ত্বটো মানি চলে।

ওপৰৰ অভিধাৰণা কেইটাৰ ওপৰত ভিত্তি কৰি মিলৰ পাৰস্পৰিক চাহিদা তত্ত্বটো তলৰ তালিকাৰে প্ৰকাশ কৰিব পাৰি।

| শ্ৰমৰ একক দেশ | X দ্ৰব্য | Y দ্ৰব্য |
|---|---|---|
| এদিনৰ শ্ৰম A | 60 একক ($a_1$) | 39 একক ($a_3$) |
| এদিনৰ শ্ৰম B | 40 একক ($a_2$) | 32 একক ($a_4$) |

ওপৰৰ তালিকাৰ পৰা দেখা যায় যে 'A' দেশে এদিনৰ শ্ৰম ব্যৱহাৰ কৰি হয় 60 একক 'X' নাইবা 39 একক 'Y' সামগ্ৰী উৎপাদন কৰিব পাৰে। পুনৰ 'B' দেশে এদিনৰ শ্ৰম ব্যৱহাৰ কৰি হয় 40 একক 'X' সামগ্ৰী নাইবা 32 একক 'Y' সামগ্ৰী উৎপাদন কৰিব পাৰে। অৰ্থাৎ দেশৰ 'B' তুলনাত 'A' দেশে দুয়োবিধ সামগ্ৰী সমান ব্যয় কৰি অধিক উৎপাদন কৰিব পাৰে। কিয়নো 60 একক X >40 একক X আৰু 39 এককY>32 এককY।

কিন্তু 'A' দেশে 'X' সামগ্ৰী উৎপাদনত তুলনামূলক সুবিধা বেছি। কিয়নো

$$\frac{a_1}{a_2} > \frac{a_3}{a_4}$$

নাইবা $\frac{60}{40} > \frac{39}{32}$

নাইবা 1.5>1.22

ঠিক একেদৰে 'B' দেশৰ 'Y' সামগ্ৰী উৎপাদনত তুলনামূলক সুবিধা বেছি কিয়নো


$$\frac{a_4}{a} > \frac{a_2}{a_1}$$

নাইবা $\frac{32}{39} > \frac{40}{60}$

যদি 'A' দেশে 1 একক 'X' সামগ্ৰী ৰপ্তানি কৰি মাথোন 0.65 একক 'Y' সামগ্ৰী আমদানিৰ যোগে 'B' দেশৰ পৰা লাভ কৰে তেনেহ'লে আন্তৰ্জাতিক বাণিজ্যৰ পৰা 'A' দেশৰ একো লাভ নহয়। অৰ্থাৎ 'A' দেশে 0.65 একক 'X' সামগ্ৰী বিপৰীতে কমেও 0.65 এককতকৈ বেছি পৰিমাণে 'Y' সামগ্ৰী 'B' দেশৰ পৰা লাভ কৰিব লাগিব। তেনে অৱস্থাত আন্তৰ্জাতিক বাণিজ্য 'A' দেশৰ বাবে সুফলদায়ক হ'ব। পুনৰ 1 একক X ৰ বিপৰীতে 0.80 একক 'Y' হ'লে আন্তৰ্জাতিক বাণিজ্যৰ পৰা 'B' দেশৰ পৰা একো লাভ নহয়। গতিকে এই দুই অৱস্থাত দুয়োখন দেশৰ মাজত অন্তাৰ্জাতিক বাণিজ্য সম্ভৱ নহয়। সেয়েহে অৰ্থনীতিবিদ জে. এছ. মিলে যুক্তি দৰ্শায় যে প্ৰকৃত বিনিময় হাৰ ঘৰুৱা বিনিময় হাৰৰ সীমাৰ ভিতৰত হ'ব লাগিব। মিলৰ মতে দুয়োখন দেশৰ মাজত আন্তৰ্জাতিক বাণিজ্য লাভজনক হ'ব আৰু কেনেকৈ লাভজনকভাৱে আন্তৰ্জাতিক বাণিজ্য হ'ব তাক তেখেতৰ সুবিধা ৰেখাৰ বিশ্লেষণৰ যোগেদি ব্যাখ্যা কৰিব পাৰি। চিত্ৰৰে ইয়াক ব্যাখ্যা কৰা হ'ল।

ধৰা হওক, দেশ দুখনৰ এখন ভাৰত আৰু আনখন ইংলেণ্ড। সামগ্ৰী দুবিধৰ এবিধ ঘেঁহু আনবিধ কাপোৰ। ভাৰতে মাথোন ঘেঁহু উৎপাদনত বিশেষীকৰণ কৰে আৰু ইংলেণ্ডে মাথোন কাপোৰ উৎপাদনত বিশেষীকৰণ কৰে। OI হ'ল ভাৰতৰ বাবে সুবিধা ৰেখা (Offer Curve)। এই ৰেখাডালে ভাৰতীয় ঘেঁহুৰ মানত ইংলেণ্ডৰ কাপোৰৰ চাহিদাক প্ৰকাশ কৰে। অৰ্থাৎ এক একক ঘেঁহুৰ বাবদ কিমান একক কাপোৰৰ চাহিদা কৰিব বিচাৰে। পুনৰ দুই একক ঘেঁহুৰ বাবদ কিমান একক কাপোৰৰ চাহিদা কৰিব বিচাৰি ইত্যাদি। ঘেঁহু আৰু কাপোৰৰ বিনিময়ৰ অনুপাতবোৰক প্ৰকাশ কৰে। OI ইংলেণ্ডৰ সুবিধা ৰেখা (Offer Curve)। এইডালে ইংলেণ্ডে কিমান একক কাপোৰৰ সলনি কিমান একক ঘেঁহুৰ চাহিদা কৰিব বিচাৰে তাক প্ৰকাশ কৰে। চিত্ৰ মতে T বিন্দুত ভাৰতে OP পৰিমাণ ঘেঁহু ৰপ্তানি (যোগান) কৰি PT পৰিমাণ কাপোৰৰ আমদানি (চাহিদা) কৰি ভাৰসাম্যতা লাভ কৰিব পাৰে। ঠিক একেদৰে T বিন্দুত ইংলেণ্ডে PT পৰিমাণে কাপোৰ ৰপ্তানি (যোগান) কৰি ভাৰতৰ পৰা OP পৰিমাণে ঘেঁহু আমদানি (চাহিদা) কৰিববলৈ প্ৰস্তুত থাকিব। এতেকে

ধৰা হওক, দেশ দুখনৰ এখন ভাৰত আৰু আনখন ইংলেণ্ড। সামগ্ৰী দুবিধৰ এবিধ ঘেঁহু আনবিধ কাপোৰ। ভাৰতে মাথোন ঘেঁহু উৎপাদনত বিশেষীকৰণ কৰে আৰু ইংলেণ্ডে মাথোন কাপোৰ উৎপাদনত বিশেষীকৰণ কৰে। OI হ'ল ভাৰতৰ বাবে সুবিধা ৰেখা (Offer Curve)। এই ৰেখাডালে ভাৰতীয় ঘেঁহুৰ মানত ইংলেণ্ডৰ কাপোৰৰ চাহিদাক প্ৰকাশ কৰে। অৰ্থাৎ এক একক ঘেঁহুৰ বাবদ কিমান একক কাপোৰৰ চাহিদা কৰিব বিচাৰে। পুনৰ দুই একক ঘেঁহুৰ বাবদ কিমান একক কাপোৰৰ চাহিদা কৰিব বিচাৰি ইত্যাদি। ঘেঁহু আৰু কাপোৰৰ বিনিময়ৰ অনুপাতবোৰক প্ৰকাশ কৰে। OI ইংলেণ্ডৰ সুবিধা ৰেখা (Offer Curve)। এইডালে ইংলেণ্ডে কিমান একক কাপোৰৰ সলনি কিমান একক ঘেঁহুৰ চাহিদা কৰিব বিচাৰে তাক প্ৰকাশ কৰে। চিত্ৰ মতে T বিন্দুত ভাৰতে OP পৰিমাণ ঘেঁহু ৰপ্তানি (যোগান) কৰি PT পৰিমাণ কাপোৰৰ আমদানি (চাহিদা) কৰি ভাৰসাম্যতা লাভ কৰিব পাৰে। ঠিক একেদৰে T বিন্দুত ইংলেণ্ডে PT পৰিমাণে কাপোৰ ৰপ্তানি (যোগান) কৰি ভাৰতৰ পৰা OP পৰিমাণে ঘেঁহু আমদানি (চাহিদা) কৰিবলৈ প্ৰস্তুত থাকিব। এতেকে




$$\text{বাণিজ্য হাৰ হ'ব} = \frac{\text{আমদানিৰ অনুপাত}}{\text{ৰপ্তানিৰ অনুপাত}}$$

$$= \frac{PT}{OP}$$

যদি ভাৰতত কাপোৰৰ চাহিদা বাঢ়ে তেনেহ'লে ভাৰতে কাপোৰৰ বাবে আগতকৈ অধিক পৰিমাণ ঘেঁহু দিবলৈ প্ৰস্তুত থাকিব। ঠিক একেদৰে ইংলেণ্ডত ঘেঁহুৰ চাহিদা বাঢ়িলে পূৰ্বৰ পৰিমাণ ঘেঁহুৰ বিপৰীতে অধিক কাপোৰ দিবলৈ প্ৰস্তুত থাকিব। এনে অৱস্থাত দেশখনৰ সুবিধা ৰেখাই স্থান পৰিৱৰ্তন কৰিব।

**মিলৰ পাৰস্পৰিক চাহিদা তত্ত্বৰ সমালোচনা (Criticism of the**

উৎপাদন বিধি প্ৰযোজ্য হৈ থাকে তেনেহ'লে ৰিকাৰ্ডোৰ ব্যাখ্যাই বিনিময় হাৰ নিৰ্ধাৰণৰ বাবে উপযুক্ত ব্যাখ্যা। ইয়াত যোগানৰ দিশটোহে অৰ্থপূৰ্ণ।

5. জেৰ ভাইনাৰৰ মতে, মিলৰ তত্ত্বটো এটা অসম্পূৰ্ণ আৰু অনুপযুক্ত।

6. মিলে অবাস্তৱতে দুয়োখন দেশৰ আয় সমান বুলি ধৰি লৈছে। বাস্তৱত দুখন দেশৰ আয় কেতিয়াও সমান হ'ব নোৱাৰে। পুনৰ আয়ৰ পাৰ্থক্যই উপভোগৰ ওপৰত প্ৰভাৱ পেলায়।

7. মিলে আন্তৰ্জাতিক বাণিজ্যৰ ওপৰত প্ৰভাৱ পেলোৱা কেইটামান গুৰুত্বপূৰ্ণ উপাদান যেনে দৰৰ পৰিৱৰ্তন, মজুৰিৰ পৰিৱৰ্তন, বাণিজ্যিক লেন-দেন পৰিশোধৰ চৰ্ত, দেশত উৎপাদনীয় কৌশলৰ প্ৰয়োগ আৰু প্ৰসাৰতা, উপভোক্তাৰ জীৱন ধাৰণৰ মানদণ্ড, জীৱন ধাৰণৰ শৈলীৰ পৰিৱৰ্তন, বজাৰৰ পৰিৱৰ্তন আদি বহুতো গুৰুত্বপূৰ্ণ দিশ এৰাই চলিছে।

***